জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৪৬/২০২০

<u>মাজুলীৰ নাগৰিক সমাজৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক</u>

# মাজুলীৰ ৰাইজৰ মৰম আৰু আৰ্শীবাদৰ বাবেই মই ৰাজ্যবাসীক নিষ্ঠাৰে সেৱা কৰাৰ শক্তি লাভ কৰিছোঁ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ ডিচেম্বৰ ঃ** মাজুলীৰ নাগৰিক সমাজৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকলে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক তেওঁৰ চৰকাৰীৰ বাসভৱনত সাক্ষাৎ কৰে। নদীদ্বীপ মাজুলী জিলাৰ পৰা বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰি জিলাখনত দ্ৰুত আন্তঃগাঁথনি উন্নয়ন সম্ভৱ কৰি তোলাৰ বাবে তেওঁলোকে মুখ্যমন্ত্ৰী সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে কয় যে পূৰ্বৰ ৰাজ্য চৰকাৰসমূহৰ পৰা সদায়ে অৱহেলাৰ পাত্ৰৰূপে পৰিগণিত হৈ অহা আৰু উন্নয়নৰ পৰা বঞ্চিত হোৱা মাজুলীয়ে মুখ্যমন্ত্ৰী সোণোৱালৰ নেতৃত্বত প্ৰগতিৰ দিশত যি বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে তাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীৰ অৱদানক মাজুলীৰ ৰাইজে সদায়ে মনত ৰাখিব। ভৱিষ্যতেও মাজুলীৰ লগতে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাবে একেই আন্তৰিকতা আৰু উৎসৰ্গিত মনোভাৱেৰে মুখ্যমন্ত্ৰীগৰাকীয়ে কাম কৰি যাব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

নাগৰিক সমাজৰ লগতে মাজুলীৰ দল-সংগঠনসমূহৰ প্ৰতিনিধিসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীৰ ৰাইজে বিগত চাৰে চাৰিটা বছৰে তেওঁলৈ আগবঢ়োৱা মৰম আৰু আৰ্শীবাদেই ৰাজ্যখনৰ জনসাধাৰণক নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ বাবে তেওঁক শক্তি প্ৰদান কৰিছে। নদীদ্বীপ মাজুলীৰ দ্ৰুত উন্নয়ন আৰু প্ৰগতি সুনিশ্চিত কৰাৰ সমান্তৰালভাৱে ইয়াৰ চহকী জৈৱ বিবিধতা আৰু সাংস্কৃতিক ঐতিহ্য তথা আধ্যাত্মিক মূল্যবোধৰো সুৰক্ষা আৰু সংৰক্ষণৰ বাবে সকলোৱে মিলি কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মাজুলীক ৰাজ্যখনৰ এখন অন্যতম আগশাৰীৰ জিলা হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰি এই লক্ষ্যত উপনীত হোৱাৰ বাবে সকলোৱে সমন্বিত প্ৰচেষ্টাত সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

আজিৰ এই সাক্ষাৎকালত টিংখাং সমষ্টিৰ বিধায়ক বিমল বৰাও উপস্থিত আছিল।

**স্বাক্ষৰ / প্ৰঃকুঃবঃ**
**২২/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in